# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 17-03-2025
**Time:** 1800 Hrs

# *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ বিভিন্ন জিলাৰ আয়ুক্ত আৰু সম-জিলাৰ আয়ুক্তসকলে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত মিলিত হৈ প্ৰধানমন্ত্ৰী আৱাস যোজনী গ্ৰামীণৰ হিতাধিকাৰীসকলক প্ৰথম কিস্তিৰ ধন বিতৰণ সন্দৰ্ভত আলোচনা কৰে। অহা ১৯ মাৰ্চত কামৰূপ জিলাৰ পলাশবাৰীত কেন্দ্ৰীয়ভাৱে এই যোজনাৰ হিতাধিকাৰীসকলক প্ৰথম কিস্তিৰ ধনৰাশি অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰতিখন জিলা আৰু সম-জিলাত একে সময়তে এই অনুষ্ঠানৰ আয়োজন কৰিবলৈ মুখ্যমন্ত্ৰী জিলা আৰু সম-জিলা আয়ুক্তসকলক নিৰ্দেশ জাৰি কৰে। এই দিনটোতে ৰাজ্যখনৰ ৩ লাখ ৮৮ হাজাৰ ৩৫৮গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশিৰ অনুমোদন পত্ৰ বিতৰণ কৰা হ'ব। বৈঠকত জিলা আৰু সম-জিলাসমূহত গামোছা বিতৰণ কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰা হয়। দুয়োটা অনুষ্ঠান সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলক যাৱতীয় নিৰ্দেশনা দিয়ে।

ooooo

পশ্চিম কাৰ্বি আংলং জিলাৰ ৰংখাং আৰু আম্ৰী বিধানসভা সমষ্টিৰ বাবে আসোঁৱাহমুক্ত ভোটদাতাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে জিলাখনৰ প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে আজি জিলা আয়ুক্ত সাৰংগপাণি শৰ্মাই গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিটো ৰাজনৈতিক দলৰ বুথ পৰ্যায়ৰ পৰা প্ৰতিনিধি নিয়োগ কৰি প্ৰত্যেকটো পৰিয়ালৰ প্ৰাপ্তবয়স্ক লোকসকলৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনোৱা হয়। বিশেষকৈ অসম-মেঘালয় সীমান্তত বসবাস কৰা খাচী লোকসকলৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাত সহায় কৰিবলৈ আহ্বান জনোৱা হৈছে।

ooooo

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত আজি জিলাখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা নিৰ্বাচনী বিষয়াসকলেও অংশগ্ৰহণ কৰে। এই বৈঠকত জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ এহেজাৰ ২৪৪টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ৰাজনৈতিক দলৰ দ্বাৰা উন্নয়ন খণ্ড পৰ্যায়ৰ এজেণ্ট নিযুক্তি তথা ভোটাৰ তালিকা সংশোধনৰ সৈতে জড়িত বিষয়সমূহ আলোচনা কৰা হয়। তদুপৰি নিৰ্বাচন সংক্ৰান্তীয় বিভিন্ন বিষয় যেনে- ভোটগ্ৰহণ কেন্দ্ৰ নিৰ্ধাৰণ, স্থানান্তৰণ আৰু যাৱতীয় মেৰামতিকে ধৰি কেইবাটাও বিষয়ে বৈঠকত স্থান লাভ কৰে।

ooooo

অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা মটৰ চাইকেলকে ধৰি অন্যান্য বাহন চুৰি কাৰ্যৰ সৈতে দীৰ্ঘদিন ধৰি জড়িত হৈ থকা মণিপুৰৰ এটা চক্ৰ উৎখাত কৰিবলৈ সমৰ্থ হৈছে। আৰক্ষীয়ে অভিযান চলাই মেঘালয় আৰু বাংলাদেশ সীমান্তৰ পৰা ১৩ খন মটৰ চাইকেল আৰু ৩ খন চাৰিচকীয়া বাহন উদ্ধাৰ কৰে।

এই চুৰি কাৰ্যৰ সৈতে জড়িত থকাৰ অভিযোগত মণিপুৰৰ ১৩ জন লোকক আৰক্ষীয়ে আটক কৰে। তদন্তৰ সময়ছোৱাত আৰক্ষীয়ে গুৱাহাটীৰ পৰা মটৰচাইকেল চুৰি কৰি নৈশ বাছেৰে মণিপুৰলৈ লৈ যোৱাৰ বিভিন্ন তথ্যও লাভ কৰে।

০০০০০

গোলাঘাট জিলাৰ নুমলীগড় লেটেকুজান চাহ বাগিচাত অবৈধ সুৰা সেৱন কৰি মৃত্যু হোৱা বুলি সন্দেহ কৰা দুজন লোকৰ মৃতদেহ আজি জিলা প্ৰশাসনে পুনৰ খান্দি উলিয়াই মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। কালি চাহ বাগিচাখনৰ ৰাজেশ টেলেঙা আৰু শংকৰ টেলেঙা নামৰ লোক দুজনৰ মৃত্যু হোৱাৰ পাছতে ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। পৰিয়ালৰ লোকে শংকৰ টেলেঙাৰ শেষকৃত্য সম্পন্ন কৰে যদিও স্থানীয় ৰাইজ আৰু দল-সংগঠনৰ দাবীত জিলা প্ৰশাসনে মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

০০০০০

হোজাইৰ লংকা-নগাঁও পথ সংযোগী বজাৰৰ সন্মুখত নেতাজীৰ প্ৰতিমূৰ্তিৰ সমীপত নিৰ্মাণ হ'বলগীয়া ক্ল'ক টাৱাৰৰ আজি লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰই আধাৰশিলা স্থাপন কৰে। বিধায়কগৰাকীয়ে অনাগত সময়ত লংকা-নগাঁও সংযোগী মূল পথছোৱা পুনৰ নিৰ্মাণ কৰি গৌৰৱ পথ নামেৰে নামকৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। আজিৰ কাৰ্যসূচীত লংকা পৌৰ সভাৰ নেত্ৰী পৰিমিতা ৰয় সাহাকে ধৰি ১১ টা ৱাৰ্ডৰ সদস্যসকল উপস্থিত থাকে।

০০০০০

কৃষি বিভাগৰ উদ্যোগত আৰু অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰটিয়ামৰ সহযোগত গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আজিৰে পৰা তিনিদিনীয়াকৈ কৃষক উৎপাদক মেলা অনুষ্ঠিত হৈছে। কৃষি মন্ত্ৰী অতুল বৰাই আজি এই মেলাৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ বিভিন্ন বিপণীসমূহ প্ৰত্যক্ষ কৰাৰ লগতে কৃষক তথা কৃষি উদ্যোগীসকলৰ সৈতে মত-বিনিময় কৰে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়  যে বছৰত দুটা বা তিনিটা বাণিজ্যিক মূল্য থকা শস্যৰ খেতিৰ প্ৰতি কৃষকসকলক আগ্ৰহী কৰি তোলাৰ বাবে এই মেলা অনুষ্ঠিত কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কৃষি খণ্ডৰ ৰূপান্তৰৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাক এই মেলাই নতুন গতি দিবলৈ সমৰ্থ হ'ব বুলি শ্ৰীবৰাই আশা প্ৰকাশ কৰে। তেওঁ কয় যে ২০২০ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক্ষুদ্ৰ আৰু উপান্ত শ্ৰেণীৰ কৃষকসকলক সংঘবদ্ধ কৰি কৃষিক উপাৰ্জনৰ নিশ্চিত ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ বাবে সমগ্ৰ দেশত ১০ হাজাৰ কৃষক উৎপাদক সংস্থা গঠনৰ আঁচনি লৈছে। অসমত গঠন হোৱা এনে সংস্থাসমূহে ৰাজ্যখনত নৱজাগৰণৰ সূচনা কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

সমাপ্ত